**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৯৮/২০১৯**

# বিশিষ্ট কবি, অনুবাদক অনুপম কুমাৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ ডিচেম্বৰ ঃ** বিশিষ্ট কবি, অনুবাদক, সাহিত্যিক, নাট্যকাৰ অনুপম কুমাৰৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত অনুপম কুমাৰে আমাৰ ভাষা-সাহিত্যৰ উত্তৰণৰ দিশত যি অৱদান আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত অনুপম কুমাৰে নিজৰ মৌলিক কবিতাৰে অসমীয়া তথা হিন্দী ভাষা-সাহিত্যক টনকিয়াল কৰাৰ লগতে এগৰাকী অনুবাদক হিচাপেও বিভিন্ন গ্ৰন্থ অনুবাদ কৰি সাহিত্য জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। এই গৰাকী কবি-সাহিত্যিকৰ বিয়োগ আমাৰ সমাজ তথা বৌদ্ধিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অনুপম কুমাৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট কবি, অনুবাদক অনুপম কুমাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। অনুপম কুমাৰৰ মৃত্যু অসমৰ সাহিত্য জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত অনুপম কুমাৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২১/১২/২০১৯**